'T MASS

# 2019

## ASSAMESE

(MODERN INDIAN LANGUAGE)

(NEW & OLD COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×7 = 7 |
| *Q. No. 2 carries 2 marks each* | 2×7 = 14 |
| *Q. No. 3 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 4 carries 5 marks each* | 5×2 = 10 |
| *Q. No. 5 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 6 carries 2 marks each* | 2×5 = 10 |
| *Q. No. 7 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 8 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 9 carries 1 mark each* | 1×2 = 2 |
| *Q. No. 10 carries 2 marks each* | 2×2 = 4 |
| *Q. No. 11 carries 4 marks each* | 4×1 = 4 |
| *Q. No. 12 carries 7 marks each* | 7×1 = 7 |
| *Q. No. 13 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 14 carries 2 marks each* | 2×4 = 8 |
| *Q. No. 15 carries 10 marks each* | 10×1 = 10 |
| | Total =100 |

*Contd.*

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১×

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীকৃষ্ণকথা' কি বিষয়ক গ্ৰন্থ ?

(খ) সাহিত্য অকাডেমি বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া লেখকৰ নাম লিখাঁ।

(গ) ভাৰতীয় প্ৰশাসনিক সেৱাত নিযুক্ত প্ৰথমগৰাকী অসমীয়া কোন ?

(ঘ) 'হস্তিবিদ্যাৰ্ণৱ' পুথিত কোনগৰাকী বৰকুঁৱৰীৰ ছবি পোৱা যায় ?

(ঙ) ঈশোপনিষদৰ নিষেধ বাক্যটি কি ?

(চ) বাগানত কৰ্মৰত অৱস্থাত ভুদেৱ চৌধুৰীয়ে কাৰ চিঠিৰ বাবে ব্যাকুলভাৱে প্ৰতীক্ষা কৰি

(ছ) অসমীয়া চিনেমাৰ জনক কোন ?

(জ) বসন্ত ৰোগ প্ৰধানকৈ কোনগৰাকী দেৱীৰ ৰোষত হোৱা বুলি মানুহে বিশ্বাস কৰিছি

(ঝ) 'পদকীয়া' মানে কাক বুজায় ?

(ঞ) 'দি এনচিয়েণ্ট মেৰিনাৰ' শীৰ্ষক কবিতাটিৰ ৰচক কোন ?

(ট) 'বৃন্দাবন' নামৰ গল্প সংকলনটোৰ ৰচক কোন ?

(ঠ) টিংখঙৰপৰা বাগানৰ ডাক অনা বনুৱাজনৰ নামটো কি ?

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ দুটা কাৰণ লিখাঁ।

(খ) 'প্ৰকৃষ্ট' আৰু 'অনিয়া-অনি' শব্দ দুটাৰ অৰ্থ কি ?

(গ) কোনগৰাকী বিদেশী সাহিত্যিকৰ কোনটো কথা-কবিতাৰ লগত 'মগনিয়াৰ'ৰ সাদৃশ্য আ

(ঘ) 'বৃহৎ সংহিতা' আৰু 'যশস্তিলক' গ্ৰন্থ দুখনৰ ৰচক কোন ?

(ঙ) 'শ্ৰদ্ধয়া দেয়ম্', 'অশ্ৰদ্ধয়া অদেয়ম্'ৰ অৰ্থ কি ?



(চ) চুটি গল্পৰ *দুটা* বৈশিষ্ট্য লিখাঁ।

(ছ) 'জয়মতী' কথাছবিখন গুৱাহাটীত কোন চনৰ কোন তাৰিখে মুক্তিলাভ কৰিছিল ?

(জ) শীলভদ্ৰই কোনখন উপন্যাসৰ বাবে, কোন চনত 'অসম প্ৰকাশন পৰিষদ বঁটা' লাভ কৰিছিল ?

(ঝ) বৈজ্ঞানিক মানসিকতা কাক বোলে ?

প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "পানীমে মীন পিয়াসী।
মোক শুনত শুনত লাগে হাসি॥"

(খ) "কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ।"

(গ) "ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ।"

(ঘ) "বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বৰ বেছি।"

*যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×২=১০

(ক) ডিব্ৰুগড়ৰ অসমীয়া তিৰোতাসকলৰ কেনে ধৰণৰ গঢ়গতি আৰু কাৰ্যকলাপত লক্ষ্মীনাথ বেজবৰুৱা আনন্দ বিমিশ্ৰিত আচৰিত হৈ পৰিছিল চমুকৈ লিখাঁ।

(খ) সংজ্ঞাসহ কথা-কবিতাৰ *চাৰিটা* বৈশিষ্ট্য লিখাঁ।

(গ) 'হস্তিবিদ্যাৰ্ণৱ' পুথিৰ গদ্যশৈলী সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

(ঘ) উপনিষদৰ যুগত শিক্ষা সাং কৰি গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰিবলৈ উলটিব খোজা বিদ্যাৰ্থীক গুৰুৱে কি কি উপদেশ দিছিল নিজৰ ভাষাৰে লিখাঁ।

(ঙ) অসমীয়া চলচ্চিত্ৰ জগতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে লিখাঁ।

(চ) প্ৰকৃত বিজ্ঞানীৰ কাম কেনে হোৱা উচিত পাঠৰ আধাৰত আলোচনা কৰাঁ।

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ১×৫=

(ক) বৰগীতৰ ভাষা কি ?

(খ) 'গোমোস্তা' শব্দটিৰ অৰ্থ লিখাঁ।

(গ) নলিনীবালা দেৱীৰ কবিতাৰ মূল সুৰ কি ?

(ঘ) 'প্ৰবুদ্ধ জনতা' শব্দটোৱে কি বুজাইছে ?

(ঙ) 'বিশ্ব শিল্পী মহা বিশ্বৰ' — কবিয়ে কাক 'বিশ্ব শিল্পী' বুলি অভিহিত কৰিছে ?

(চ) 'ৰ'দ জিকিমিকি' কাব্যগ্ৰন্থখনৰ ৰচক কোন ?

(ছ) নৰকান্ত বৰুৱাৰ কাব্য-চৰ্চাত কোনখন আলোচনীৰ অৱদান স্মৰণীয় ?

(জ) নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন গৱেষণামূলক গ্ৰন্থৰ নাম লিখাঁ।

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=

(ক) শংকৰদেৱ আৰু মাধৱদেৱে মুঠ কেইটা বৰগীত ৰচনা কৰিছিল ?

(খ) সত্ত্ব, ৰজঃ, তমঃ গুণ কি ?

(গ) নলিনীবালা দেৱীৰ আধ্যাত্মিক ভাবৰ ব্যঞ্জনা প্ৰতিধ্বনিত হোৱা দুখন কাব্যগ্ৰন্থৰ নাম লি

(ঘ) 'হে মোৰ আলোক-পূজাৰী প্ৰাণ' বুলি কবিয়ে কাক, কি যাচিবলৈ আহ্বান জনাইছে ?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি প্ৰথম কোন চনত আৰু কোনখন মুখপত্ৰত প্ৰকাশ হৈছিল

(চ) 'আঘোণৰ পথাৰত কাম আৰু কাম।' — কবিয়ে আঘোণৰ পথাৰত থকা কি কি 'কা বিষয়ে ইংগিত কৰিছে ?

(ছ) কোন চনত আৰু ক'ত নৰকান্ত বৰুৱাৰ জন্ম হৈছিল ?

(জ) 'কৰুণতম' কবিতাত কবিৰ মনত মাতৃ-স্মৃতি কিহে কেনেকৈ জাগ্ৰত কৰিছে ?



। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ *(যিকোনো এফাকি)* ৪×১=৪

(ক) সিদ্ধ মুনিগণে চিন্তিয়া নপাৱে
সো হৰি যশোৱা কোলে।
ত্ৰিজগতৰ পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে॥

(খ) উঠা মিস্ত্ৰী, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ,
কাঠ মিস্ত্ৰীৰ ঘৰ।

(গ) যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
এবাৰেই খেলি গ'লোঁ

। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ৩×২=৬

(ক) 'সব পুৰুষৰ শিৰৰ ভূষণ' বুলি কোনে, কাক, কিয় কৈছে ?

(খ) 'জনতাৰ আহ্বান' কবিতাটিত কবিয়ে কিহৰ জয় বিচাৰিছে লিখাঁ।

(গ) আঘোণৰ পথাৰত কুঁৱলী নথকা হ'লে কবিয়ে কি কি দেখা পালেহেঁতেন প্ৰথম দুটা স্তৱকৰ আলমত লিখাঁ।

(ঘ) কবি নৰকান্ত বৰুৱাৰ মতে পৃথিৱীলৈ 'নতুন মানুহ' আহিলে কি পৰিৱৰ্তন হ'ব ?

৯। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ১×২=২

(ক) মূল্যবোধৰ 'ত্ৰিনীতি' কি ?

(খ) কৈশোৰ কাল আন কি নামেৰে পৰিচিত ?

(গ) মাধ্যমিক শিক্ষাক 'জীৱনৰ আলি-দোমোজা' বুলি কোনে অভিহিত কৰিছে ?

১০। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ২× ২=

(ক) মূল্যবোধসমূহৰ অৰ্থ, উদ্দেশ্য আৰু ব্যৱহাৰ অনুসৰি *চাৰিটা* উল্লেখযোগ্য প্ৰকাৰৰ নাম লিখ

(খ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা প্ৰাথমিক আৰু মৌলি বিষয়কেইটা কি কি ?

(গ) মাধ্যমিক স্তৰৰ শিক্ষাৰ প্ৰধান বিশেষত্ব *দুটা* কি কি ?

১১। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ৪× ১=

(ক) 'নন্দনতাত্ত্বিক মূল্যবোধ' সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) 'আজিৰ যুগ বিশ্বায়নৰ যুগ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জয়যাত্ৰাৰ যুগ।" — ব্যাখ্যা কৰাঁ

১২। (ক) কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয় কাক বোলে ? দুয়োটাৰে মাজত মূল পাৰ্থক্য ক'ত উদাহৰণস বুজাই লিখাঁ। ২+২+৩=

*অথবা*

(খ) শব্দ বিভক্তি আৰু কাৰক বুলিলে কি বুজা ? অসমীয়া ভাষাৰ শব্দ বিভক্তিসমূহৰ এখা তালিকা যুগুত কৰাঁ। ২+২+৩=

১৩। তলৰ *যিকোনো পাঁচোটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি দেখুওৱা ঃ ১× ৫=

বিহুৱা, শোৱন, খুলীয়া, জুইকুৰা, নদীয়াল, মগনিয়াৰ, ৰোৱনী।



১৪। তলত দিয়া জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ ঃ *(যিকোনো চাৰিটা)* ২× ৪=৮

ঊনৈশত বা বলা, নোম টেঙৰ, পানীৰ তলৰ কাঁইট, ভূতৰ ওপৰত দানহ, অজীণ পাতকী, চকু চৰহা।

১৫। তলৰ *যিকোনো এটি* বিষয় লৈ এখন ৰচনা লিখা ঃ ১০

(ক) **আধুনিক সমাজৰ ব্যাধি ঃ অনুশাসনহীনতা।**

(আৰম্ভণি — অনুশাসনহীনতাৰ উৎস — যুব উচ্ছৃংখলতা — কৰ্মহীনতা আৰু অনুশাসনহীনতা — মূল্যবোধৰ অৱক্ষয় — সামৰণি।)

(খ) **সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ ভূমিকা**

(আৰম্ভণি — সাহিত্য আৰু সমাজ — সৃষ্টিশীল সাহিত্য আৰু সমাজত ইয়াৰ ইতিবাচক দিশ — সামৰণি।)

(গ) **জনসংখ্যা বৃদ্ধি আৰু ভাৰতৰ অৰ্থনৈতিক সংকট**

(আৰম্ভণি — জনসংখ্যা বৃদ্ধিৰ কাৰক — অনুপ্ৰৱেশ — জন-বিস্ফোৰণ — অৰ্থনৈতিক সংকট — সংকট মোচনৰ উপায় — সামৰণি।)

(ঘ) **ছ'চিয়েল মিডিয়া আৰু সমাজত ইয়াৰ প্ৰভাৱ**

(আৰম্ভণি — ছ'চিয়েল মিডিয়া কি ? — ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ —জনপ্ৰিয়তাৰ মূল কাৰণসমূহ — নেতিবাচক দিশ — সামৰণি।)

—— × ——